পৃথিবীৰ সৰ্ব্বজাতীয়তাবাদৰ জাগৰণ এটা শক্তিশালী জাগৰণ। ইয়াৰ ছাঁতেই সকলোৰে সমাজ অধিকাৰ বৈ আছে। ইয়াৰ মাজতেই এদল মধ্যবৰ্ত্তীয়ে জাতীয়ভাবাদৰ পৰা ফালৰি কাটি "বনুৱা" আৰু সৰুসুৰা জাগৰণ বিলাকক সৰ্ব্বজাতীয়তাবাদৰ বিৰোধ বুলি গণ্য কৰিছে। মহাযুদ্ধৰ বিভিষিকাই সকলোকে সৰ্ব্বজাতীয়তাবাদলৈ লৈ গৈছে। সৰ্ব্বজাতীয়তাবাদৰ ভাব চিন্তা গধূৰ ও শক্তিশালী। এই সৰ্ব্বজাতীয়তাবাদো বৰ্ত্তমান বিভাজনৰ পথত। বৃটীশ সাম্ৰাজ্যবাদে আমাৰ জাতীয়তাবাদ ধ্বংশ কৰিছিল। কোনোলোকে কয় আমাৰ জাতীয়তাবাদৰ ভাবভঙ্গী নিম্নথাপৰ। যি সকলে আমাক এনেকৈ কয় তেওঁলোকে ভাবে যে আমি নগণ্য। বৃটীশ সাম্ৰাজ্যৰ সঙ্গী হলেহে সৰ্ব্বজাতীয়তাবাদক জয় কৰিব পৰিম। তেওঁলোকে আচল কথা উপলব্ধি কৰিব পৰা নাই। এনে ধৰণৰ জাতীয়তাবাদ কেৱল বৃটীশৰ ঠেক জাতীয়তা বাদৰহে।

যেই নহওঁক ভাৰতবৰ্ষ পৃথিবীৰ সৰ্ব্বজাতীয়তাবাদৰ ভিত্তিত গঢ়লৈ সংগঠিত হৈছে।

## "ভাৰতৰ শক্তি আৰু দুৰ্ব্বলতা"

ভাৰত সাধাৰণ কাৰিকৰী বিদ্যাত পিচপৰা। ইউৰোপ যদিও বহুক্ষেত্ৰত পিচপৰি আছিল তথাপি কাৰিকৰী শিল্পবিদ্যাত অগ্ৰস্থান অধিকাৰ কৰিলে। এই সাধাৰণ কাৰিকৰী শিল্পবিদ্যাই ইউৰোপক জীৱনৰ তুমুল সংগ্ৰামত নমাই অসংখ্য বিজ্ঞান পদ্ধতিৰে সাগৰ-যাত্ৰাৰ পাতনি মেলি নতুন নতুন ঠাই আৱিস্কাৰ কৰাত সহায় কৰিলে। কাৰিকৰী শিল্প কৌশলে পশ্চিম ইউৰোপৰ দেশসমূহত সৈন্যৰ শক্তি বঢ়াই পূবলৈ গৈ ৰাজ্য দখল কৰি ভলতীয়া কৰিবলৈ সুবিধা দিলে। এইয়েই ভাৰতৰ ইতিহাস। ভাৰতৰে কেৱল নহয় ই সমগ্ৰ এশিয়াৰ।

এইটো কিয় এনে হব লগা হল। ইয়াক বুজা বা উদ্ঘাটন কৰা কঠিন। আগৰ দিনত ভাৰত কাৰিকৰী বিদ্যা বা মনৰ বিকাশ সাধন কৰাত কোনো গুণে পিচপৰা নাছিল। কোনো কোনো লোকে ভাবে শতাব্দী ধৰি চলি থকা ভাৰতৰ উন্নতি লাহে লাহে হ্রাস পাই আহিল। জীৱন যাপনৰ মানদণ্ড আৰু মনৰ গতি কমি গল। আবিস্কাৰৰ মনোবৃত্তি কমি লোকৰ অনুকৰণীয় হল।

যেতিয়া জয় আৰু বিদ্রোহৰ ভাব প্রকৃতি বা বিশ্ব ৰহস্যৰ মাজলৈ সোমাই আহে তেতিয়া উপযুক্ত "টীকাকাৰ" বা অর্থ ভাঙ্গোতেই তেওঁৰ ভাঙ্গনিৰ চিক্‌মিকনিৰে মূলতত্ত্ব ব্যাখ্যা কৰে। হিন্দুধৰ্ম্মৰ ধুনীয়া ধুনীয়া শিল্প, শিল্পত কটা মূৰ্ত্তিয়ে মনলৈ পৰিবৰ্ত্তন আনিলে। আনকি সাগৰ পাৰ হোৱাত ধৰ্ম্মমতে নিষেধ হল। যি ভাৰতীয় জ্ঞান বিজ্ঞানৰ বিকাশ শক্তিয়ে সকলো উদ্ঘাটন কৰি মানবীয়তাৰ মধুৰ সপোন ৰচনা কৰিছিল সেই শক্তি অজ্ঞান আন্ধাৰত ডুব গল। ভাৰতীয়ৰ জীৱন চুক ভেকুলীৰ দৰে হল।

তথাপিও এইটো সম্পূর্ণ শুদ্ধ বিশ্লেষণ নহয়। সকলো দেশৰেই একো একোটা পৌৰাণিক জাতীয়তা বাদৰ কথা আছে। মইয়ো এই কথা বিশ্বাস কৰো। বংশানুক্রমে যে যুগ যুগ ধৰি জীৱনৰ মানদণ্ড গঢ় লয় তাকো জানো।

বুৰঞ্জীয়ে শত শত সভ্যতা বুকুত বিলীন কৰি নতুন নতুন শিল্প সভ্যতাৰ গঢ় দিছে। এই ৰীতি পৃথিবীৰ সকলো জাতিৰ বুৰঞ্জীয়ে কব। আমেৰিকা ৰুচীয়া আৰু চীনৰ জাতীয় বুৰঞ্জী অতি অসাধৰণ সংযোগ।

আমেৰিকান সকলৰ যদিও জাতীয় বুৰঞ্জী পটত মূল শিপা আছে তথাপি এটা নতুন জাতি। কানাডিয়ান, অষ্ট্রেলীয়ান আৰু নিউজিলেণ্ড বাসীৰো অতীত বুৰঞ্জী এনেকুৱাই।

ৰাচিয়ান সকল নতুনকৈ গঢ় লোৱা জাতি নহয়। তথাপি এওঁলোকে অতীত বুৰঞ্জী সমূলক্কে মুচি নাইকিয়া কৰি নতুন জাতি গঢ়ি

উঠিল। এওঁলোকে নতুন জাতীয় জীৱন গঢ় দি আচৰিত ধৰণে ক্ষমতাপন্ন হৈ পৰিল। এতিয়া এওঁলোকে অতীতৰ বুৰঞ্জী বিচাৰি ফুৰিছে। ৰাচিয়াণ সকলে জগতৰ আগত মানবৰ লুকাই থকা অসাধৰণ শক্তি দাঙ্গি ধৰি পৃথিবীৰ মানব জাতিৰ ভিতৰত শীৰ্ষস্থান লাভ কৰিছে।

চীনা সকল আদিমবাসী। ৰুচিয়াৰ পৰাও চীনলৈ বহুলোক আহিছে। ৰুচিয়াৰ পৰা অহা সকলৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। চীনৰ ৭-বছৰীয়া ধ্বংসাত্মক গৃহযুদ্ধই বহু পৰিবৰ্ত্তন আনিলে। এই যুদ্ধই চীনাসকলৰ মাজত অফুৰন্ত বল আৰু সাহস আনিলে! চীনা-সকলৰ জাতীয় জীৱনত ভিতৰি ভিতৰি জনজাগৰণৰ ভূমিকা ৰচনা কৰিলে। এনে ভূমিকা ভাৰতৰ জনগণৰ ভিতৰতো বিদ্যমান। যদিহে কেনেবাকৈ এই শক্তিক ভাৰতে হেৰুৱাই তেন্তে ভাৰতৰ সভ্যতা বেচি দিন জীয়াই থাকিব নোৱাৰিব। মই জানো ভাৰত বাসীৰ অন্তৰত অসীম সাহস আৰু ধৈৰ্য্য সোমাই আছে। এই শক্তিয়ে প্ৰকৃত ভাৰতবৰ্ষ গঢ়াত ভাৰতবাসীক সহায় কৰিব।

গত ডেৰশ বছৰ ধৰি স্বাধীনতাৰ কাৰণে বৃটীশ সিংহৰ লগত ভাৰতবাসীয়ে অবিৰাম যুদ্ধ চলালে। ভাৰতৰ জাতীয়তাবাদৰ জীৱন্ত শক্তিৰ এয়েই জ্বলন্ত প্ৰমাণ। অতীতত ভাৰতৰ সকলো অসাধৰণ শক্তিৰেই গুৰি ধৰোঁতা আছিল। এতিয়া ভাৰত কলা ঘূমটিত, এই কলাঘূমটিৰ পৰা ভাৰতক উঠাব পাৰিলেহে ভাৰতে হেৰুওৱা শক্তি পুনৰ উদ্ধাৰ কৰিব। ইয়াৰ কাৰণে লাগিব ত্যাগ। জাতীয় উত্থানত জীৱন আহুতি দিব লাগিব। জাতিৰ কামত ভাল বেয়া একো বিবেচনা নকৰি জঁপিয়াই পৰিব লাগিব। কাৰো ওচৰত আমি মূৰ নোদোঁৱাম। সকলোতে আমি হব লাগিব "এক"।

জাতীয় সংগ্ৰামত জঁপিয়াই পৰোঁতে বহু দেশে আমাক মূৰ্খ বুলি-ছিল। আমি মূৰ্খনে কি এই কথাৰ উমান দিব ভৱিষ্যতৰ বুৰঞ্জী লিখকে।

এই জাতীয় সংগ্ৰামত নামোতে আমি অতি উচ্চ ভাব পোষণ কৰিছিলো। দূৰ সুদূৰলৈ দৃষ্টিপাত কৰিছিলো! সময়ত আমি মূৰ্খ হিচাবে পৃথিবীৰ আগত পৰিগণিত হৈছিলো। আমাৰ লক্ষ্যস্থল আছিল সমূহীয়া ভাৰতৰ শক্তি উদঘাটন কৰাত। এই উদঘাটনৰ পথ আছিল আমাৰ মানসিক, আধ্যাত্মিক, ৰাজনৈতিক আৰু আৰ্থিক। আগৰ কিছুমান ঘৃণনীয় সমাজৰ নীতিক আমি বলেৰে মষিমূৰ কৰিবলৈ যত্ন কৰিছিলো।

## "ভাৰতৰ অন্বেষণ"

যদিও ভাৰতৰ পুৰণা পুথি আৰু স্থায়ী কীৰ্ত্তিস্তম্ভই ভাৰতৰ অতীত সভ্যতা আৰু কলা কৃষ্টিৰ উমান দিছিল—তথাপি মই এই বিলাকত শান্ত্বনা পোৱা নাছিলো। মই জানিব বিচাৰিলো অতীতৰ লগত বৰ্ত্তমান ভাৰতৰ সম্বন্ধ কি? মই দেখামতে ভাৰতৰ সভ্যতা দুখ দৈন্যতাৰে পৰিপূৰ্ণ। আৰু এদল মধ্যবিত্ত শ্ৰেণীৰ অন্ধবিশ্বাসত গোটেই ভাৰত জাতীয়তাবাদৰ ৰসাতলত।

মই নিজবংশ বা জাতিৰ প্ৰশংসা কৰা লোক নহওঁ। মই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ গুৰিয়াল হব চালো। সেই মধ্যবিত্ত শ্ৰেণী মূৰ দাঙ্গি উঠিবলৈ যত্নবান হল। বৃটীশ শাসনত অতীস্থ হৈ তলে তলে বৃটীশ শাসনৰ বিৰোধে গা দাঙ্গি উঠিল। ক্ৰমান্বয়ে নতুন নতুন পৰিস্তিতিয়ে আমাক ভাৰতৰ গাৱেঁ ভূৱেঁ টানি লৈ গল। আৰু বৃটীশ শক্তিৰ সম্মুখত ভাৰতত এক মহান শক্তি জিলিকি উঠিল। এই মহান শক্তিয়ে ভাৰতৰ এটি ৰঙ্গীন সপোন ৰচনা কৰিলে। সকলো দুখ নিৰ্য্যাতন এফলীয়া কৰি প্ৰবল প্ৰতাপে এই শক্তি ভাৰতৰ এমূৰৰ পৰা ইমূৰলৈকে মূৰ দাঙ্গি উঠিল। এনেকৈয়েই ভাৰতক আবিস্কাৰ কৰিবলৈ যুদ্ধ বিগ্ৰহৰ মাজে দিয়েই আমাক লৈ গল।

মই সৰ্ব্বসাধাৰণ ভাৰতবাসীৰ ভিতৰত দেখা পাইলা বৰ্ণনা কৰিব

নোৱাৰা কিছুমান গুপুত শক্তি। সেই গুপুত শক্তি মধ্যবিত্ত শ্ৰেণীৰ লোকৰ ভিতৰত দেখা পোৱা নাছিলো।

ভাৰতবাসী মোৰ মনত অতি সৰল সাত্বিক আৰু সত্যবাদী। বহু বিভিন্ন জাতীয়ে ভাৰতত বসবাস কৰিছে। মই সকলোকেই এক জাতি বুলিহে গণ্য কৰো। মোৰ ভাব ভঙ্গীত কোনো বেলেগ ৰূপ নাই। মই সৰ্ব্বসাধাৰণৰ পৰা যিমান বিচাৰো তাতকৈ বেচি কৈহে সকলোৱে পৰা উত্তৰ পাওঁ। তেতিয়া মই ভাবো যে ভাৰতৰ অতীতৰ কৃষ্টি সভ্যতাইহে এই মহান শক্তিৰ গুৰি ধৰি আছে।

বৃটীশ শাসনৰ ২০০ বছৰৰ ভিতৰত ভাৰতৰ এই শক্তি হ্ৰাস হল। এতিয়াও যি আছে সি অতি মূল্যৱান।

মোৰ বিশ বছৰ বয়সলৈকে মই আগ্ৰা অযোধ্যা যুক্ত প্ৰদেশৰ ৪৮ খন জিলা বিস্তৃত ভাবে তন্ন তন্নকৈ নগৰে চহৰে গাৱেঁ ভূৰে ভ্ৰমণ কৰিছো। আগ্ৰা অযোধা যুক্তপ্ৰদেশ অতীত আৰু বৰ্ত্তমান হিন্দুস্থানৰ মেৰুদণ্ড।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ জুই এই প্ৰদেশতেই জ্বলি উঠে।

১৯৩৬-৩৭ চনৰ নিৰ্ব্বাচনৰ সময় চোৱাত মই গোটেই ভাৰতবৰ্ষৰ গাৱেঁ ভূৰে ভ্ৰমণ কৰিছো। এই ভ্ৰমণ মোৰ আছিল ৰাজনৈতিক নিৰ্ব্বাচনৰ বিষয়লৈ। অৰ্থ নৈতিক বিষয়তো মই বক্তৃতা দিছিলো। নিৰ্ব্বাচনৰ বাদেও কিবা এটা চিন্তাই মোৰ মনৰ ভিতৰত গভীৰ ভাবে শিপাইছিল। ভাৰতক বিস্তৃত ভাবে জানিবলৈ মোৰ মন ব্যগ্ৰ হৈ পৰিল। ভাৰত আৱিস্কাৰৰ পথত মই আকৌ আগবাঢ়ি গলো।

ভাৰতৰ মাটি, ভাৰতৰ পানী, ভাৰতৰ পাহাৰ, পৰ্ব্বত হাবি বননি আৰু জনসাধাৰণ মোৰ দৃষ্টিৰ পটত ফটফটীয়াকৈ জীৱন্ত মূৰ্ত্তি ধৰি আগত থিয় দিলে। ভাৰত সকলোৱে জীৱন্ত মূৰ্ত্তি হৈ মোৰ মনত উদয় হল। দেখা পালো ভাৰতৰ জনসমুদ্ৰৰ বুকু বিদাৰি অসংখ্য সমাজ কলুষিত বিভিন্নতা আৰু জাতি বিভাজন নীতি। যদিও ভাৰত এনেভাৱে কলুষিত তথাপি অসংখ্য বিভিন্নতাৰ মাজতেই ঐক্যতা গঢ়ি

উঠিছে। ভাৰত অতীত আৰু বৰ্ত্তমানৰ এখন ডাঙৰ চিহ্নপট। তৰপে তৰপে অতীতৰ কথা ইয়াতেই আঁকা আছে। শতঘাট প্ৰতি ঘাটেও এই চিহ্নপট ম্লান কৰিব পৰা নাই। এই চিহ্নপট বিলাকে ভাৰতক এক ৰহস্যময় ভাৰত গঢ়ি তুলিছে। ভাৰতৰ একতাই সকলোকে স্তম্ভিত কৰিছে। বিপদ ধুমুহা বাধা বিঘিনিয়েও ইয়াক মচি পেলাব পৰা নাই।

ভাৰতত বহু শ্ৰেণী বহু ধৰ্ম্ম আৰু বহু সমাজ আছে। সকলোৰে নিজ নিজ ভাষা ধৰ্ম্ম কৃষ্টি চৰ্চ্চা আছে। এইয়েই ভাৰতৰ বিশেষত্ব।

## "ভাৰত মাতা"

সভা সমিতিত ঘুৰি ফুৰি প্ৰায়েই মই দৰ্শকৰ আগত "আমাৰ ভাৰত", "আমাৰ হিন্দুস্থান," আৰু "আমাৰ ভাৰত মাতা" বুলি বক্তৃতা দিছিলো। পুৰণি যুগত ভাৰতবৰ্ষৰ নাম কেনেকৈ আবিস্কাৰ হল তাকো কৈছিলো। চহৰৰ মানুহ বিলাক শিক্ষিত। কিন্তু গাৱলীয়া জনসাধাৰণ অশিক্ষিত। যেতিয়া গাৱলীয়া জনসাধাৰণৰ আগত মই বক্তৃতা দিওঁ তেতিয়া ৰামায়ণ মহাভাৰতৰ কথা উল্লেখ কৰো। এই মহাভাৰতৰ মুক্তিৰ কাৰণেই আমি সংগ্ৰামত নামিছো। এই সংগ্ৰাম ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈ উত্তৰে দক্ষিণে পূবে পশ্চিমে বিয়পি পৰিব লাগিব। এই সংগ্ৰামেই হৈছে "স্বৰাজ"। এই স্বৰাজ কোনো এক অংশৰ কাৰণে নহয়। সমগ্ৰ ভাৰতৰ কাৰণে। ভাৰতৰ সিটো মুৰৰ "খাইবাৰ পাচ"ৰ পৰা আৰম্ভ কৰি ইমূৰে কন্যাকুমাৰীকালৈকে সকলোতে কৃষক বনুৱা সকলে মোক সেই একে কথাকে সুধিছে। দৰিদ্ৰতা, ঋণ, কৰকাতল, জমিদাৰ মহাজন আদিৰ কথা। পুলিচৰ জোৰ জুলুমৰ কথা। এই সকলোবিলাক হল বিদেশী শাসনৰ বাবে। উত্তৰত মই সকলোকে "এক ভাৰত-মাতা" বুলি ভাবিবলৈ উপদেশ দিও। আমিও যে বিশ্বমানবৰে এটা অঙ্গ তাকো বুজাওঁ। মই চীনা

গৃহ যুদ্ধৰ কথা কলো, স্পেইন, আবিসিনীয়া, মধ্য ইউৰোপ, ইজীপ্ত আৰু পশ্চিম এশ্চিয়াৰ যুদ্ধৰ কথা কলো। মই সকলোকে ৰুচিয়া আৰু আমেৰিকাই কৰা বিৰাট উন্নতিৰ কথা কলো।

"স্বৰাজ" যদিও সহজ কথা নহয় তথাপি তেওঁলোকৰ অন্তৰত পৌৰাণিক গল্প সাধু বিলাকে গভীৰ ভাবে ৰেখাপাত কৰিছিল। বহুলোকেই পৌৰাণিক গল্প আৰু সাধুবিলাক উদ্‌যাটন কৰিবলৈ ভাৰতৰ ইমূৰে সিমূৰে থকা তীৰ্থসমূহ দৰ্শন কৰিছিল।

প্ৰথম পৃথিবীৰ মহাযুদ্ধৰ সময়ত সৈনিকৰূপে দূৰ বিদেশত থাকি অহা বহু অভিজ্ঞতা সম্পন্নলোক ভাৰতত আছে। যেতিয়া মই আহি জনসমুদ্ৰৰ মাজত থিয় দিওঁ তেতিয়া "ভাৰত মাতা কি জয়" ধ্বনিবে আকাশ বতাহ মুখৰিত হৈ পৰে। মই তেওঁলোকক শুধো "ইয়াৰ অৰ্থ কি? ভাৰত মাতা কি? কাৰ জয় তেওঁলোকে বিচাৰে? তেওঁলোক হতভম্ব হৈ পৰে। ইজনে সিজনৰ মুখলৈ চায়। মই কিন্তু সুধিয়েই থাকো। অৱশেষত অসীম সাহসী ভাৰতৰ বুকুত যুগ যুগান্তৰ ধৰি সঞ্জিৱীত হৈ থকা "জাত" এ উত্তৰ দিয়ে ধৰিত্ৰী মাতা বুলি।

পৃথিবী কি? নে তেওঁলোকৰ নিজ নিজ গাওঁখন, তাপলিমৰা খেৰৰ ঘৰতো, নে তেওঁলোকৰ তাপলি মৰা জিলাখন বা প্ৰদেশখন বা গোটেই ভাৰতখন। এনেদৰে মই তেওঁলোকক প্ৰশ্ন কৰি যাওঁ। শেষত তেওঁলোক অধৈৰ্য্য হৈ মোক কবলৈ কয়। মই তেতিয়া তেওঁ-লেকৰ বুজাবলৈ যত্ন কৰো। আমাৰ এইয়া ভাৰতৰ হাবি বননি, পাহাৰ পৰ্ব্বত, নদ-নদী, এইয়া আমাৰ বহল সেউজীয়া পথাৰ যি পথাৰে আমাক আহাৰ যোগায় এই সকলোবিলাক। এই সকলো বিলাকে কি বুজায়? ভাৰতৰ জনগণক বুজায়। এই জনগণ কোন? তেওঁলোক আৰু মোৰ নিচিনা লোক জনক। এই লোকজন গোটেই ভাৰত ব্যাপি আছে। এওঁলোকেই ভাৰত মাতা। অসংখ্য ভাৰতৰ লোকজন। ভাৰতৰ জয় মানে এই অগনন ভাৰতীয় লোকজনৰ জয়।

আমি সকলোৱেই এই ভাৰত মাতাৰ অঙ্গ। এই কথাটো যেতিয়া তেওঁলোকৰ অন্তৰত লাগি গল তেতিয়া তেওঁলোকৰ চকু জিলিকি উঠিল। মোৰ অনুমান হল যেন তেওঁলোকে এটা বৰ ডাঙ্গৰ তত্ত্ব আবিস্কাৰ কৰিলে।

## "ভাৰতৰ বিভিন্নতা আৰু একতা"

ভাৰতৰ বিভিন্নতা অনেক। এই বিভিন্নতা সকলো ক্ষেত্ৰতে। কিছুমান শাৰীৰিক আৰু কিছুমান মানসিক। এই দেখা দেখি কথাটো উত্তৰ পশ্চিম ভাৰতৰ পাঠান সকলৰ আৰু সুদূৰ দক্ষিণ ভাৰতৰ তামিল সকলৰ ভিতৰত বহু পাৰ্থক্য। বংশধৰ সকলৰ গুৰি একে নহয় যদিও দুয়ো জাতিয়েই সাগৰৰ পাৰত বসতি কৰে। তেওঁলোকৰ ভিতৰৰ শাৰীৰিক হিচাবে, পিন্ধনে উৰণে খোৱাই লোৱাই কথাই বতৰাই সকলোতে অমিল। উত্তৰ পশ্চিম ফ্ৰন্টিয়াৰ প্ৰদেশৰ মানুহৰ আচাৰ ব্যৱহাৰ খোৱা লোৱা সকলো বিষয়তে কাশ্মিৰী সকলৰ লগত মিলে।

হিমালয়ৰ সিপাৰে আন এখন দেশ আছে। পাঠান সকলৰ নৃত্য আৰু অঙ্গিভঙ্গি ৰুচিয়াৰ "কোচক" সকলৰ লগত মিলে। এনেবিলাক বিভিন্নতা থকাৰ স্বত্বেও পাঠান সকলৰ লগত ভাৰতৰ মিল আছে। এই মিল থিক তামিল সকলৰ দৰেই। আফ্‌গানিস্তান, ভাৰতৰ দাঁতি কাযৰীয়া ৰাজ্য। হাজাৰ হাজাৰ বছৰৰ পৰাই এই ৰাজ্য ভাৰতৰ লগত মিল।

আগৰ তুৰ্ক আৰু আফগানিস্তানৰ আদিমবাসী মধ্য এশিয়াৰ। মুছলমান ধৰ্ম্মপ্ৰচাৰৰ আগেয়ে এওঁলোক বৌদ্ধ ধৰ্ম্মাৱলম্বী আছিল। ইয়াৰো আগতে এওঁলোক হিন্দু আছিল। এই অজ্ঞান্তিমুলুক এসময়ত ভাৰতৰ কৃষ্টি সভ্যতাৰ কেন্দ্ৰস্থল আছিল। এতিয়াও ঠায়ে ঠায়ে বৌদ্ধ মন্দিৰৰ ভগ্ন অংশ অতীতৰ কীৰ্ত্তিস্তম্ভ বিৰাজিত। প্ৰমাণ স্বৰূপে

তাক্সিলা বিশ্ববিদ্যালয়। ২০০০ হেজাৰ বছৰৰ আগেয়ে এই বিশ্ব-বিদ্যালয়ে ভাৰতৰ বহু ঠাইৰ ছাত্ৰৰ মন আকৰ্ষণ কৰিছিল। এচিয়াৰ বেলেগ বেলেগ অংশৰ পৰাও ইয়ালৈ ছাত্ৰ আহিছিল। অতীতত ই এক গৌৰৱ আৰু যশস্যাৰ কেন্দ্ৰস্থল আছিল। ধৰ্ম্মৰ ব্যৱধানে বেলেগ দৃষ্টি নিক্ষেপ কৰিলে যদিও মনৰ বান্ধ চিঙ্গিব নোৱাৰিলে।

পাঠান আৰু তামিল সকলৰ উদাহৰণেই মন কৰিব লগীয়া। ইজনৰ আনজনৰ ভিতৰত যি কোনো হিচাবে সোমাই আছে। বঙ্গালী, মাৰাঠী, তামিল, গুজৰাটী সিন্ধি পাঞ্জাবী, পাঠান, কাশ্মিৰী ৰাজপুত আদি সকলোৰে স্বকীয়া কৃষ্টি শিল্প আচাৰ ব্যৱহাৰ ভাব ভাষা আছে। তথাপিও সকলোৰে ভাৰতৰ দৃষ্টিভঙ্গি এক। সকলোকে কিবা এক জীৱন্ত শক্তিয়ে সকলোকে পৰিচালিত কৰিছে।

চীনৰ দৰে অতীতত ভাৰত নিজেই এখন পৃথিবী আছিল। ইয়াত ভাৰতৰ কৃষ্টি শিল্প আৰু স্বকীয়া সভ্যতাই গঢ় লৈছিল। বিদেশৰ ভ্ৰমণকাৰীক ভাৰতৰ কৃষ্টি সভ্যতাই আকৰ্ষণ কৰি টানি আনিছিল। আৰু এই কৃষ্টি সভ্যতাৰ মাজতেই বিলীন কৰিছিল। সেই সভ্যতাৰ উষাৰ আগমণিতেই “একতাৰ” সপোনে সকলো ভাৰতীয়কে আকৃষ্ট কৰিছিল। এই পোহৰ বাহিৰৰ পৰা অহা নাছিল। এই দিব্য শকতিৰ তলতেই মূৰ দাঙ্গি উঠিছিল বিভিন্ন বিশ্বাস, সহনশীলতা আৰু সত্যৰ অন্বেষণ।

পৃথিবীৰ সকলো জাতিৰ মাজতেৰ সকৰেই হওক নতুবা ডাঙ্গৰেই হওঁক আপোনেই হওঁক বা পৰেই হওঁক কিছুমান বিভিন্নতা আছে। এই সকলো বিভিন্নতাৰ মাজেদি গৈ সকলো যেতিয়া এক মহান উদ্দেশ্যত উপনীত হয় বা লগ লাগে সিয়েই আপোন আপোন মত ভেদাভেদ চূৰ্ণ বিচূৰ্ণ কৰি মহা জাতীয়তাবাদৰ ঐক্য মিলনত লয় হয়।

মধ্য যুগত বৰ্ত্তমানে গঢ়ি উঠা জাতীয়তাবাদ অতি ক্ষীণভাবে ধৰ্ম্ম আৰু জাতিৰ মাজত আছিল। লিখিত জাতীয় বুৰঞ্জী গঢ়ি উঠাৰ লগে লগে ভাৰতীয়ই ভাৰতক নিজৰ বুলি ধৰিবলৈ শিকিলে।

বাহিৰৰ পৰা যি সকল আহি ভাৰতত বসতি কৰিলে তেওঁলোকে যদিও খৃষ্টিয়ান, মুছলমান পাৰচীয়ান বা জু ধৰ্ম্মাৱলম্বী তথাপি ভাৰতীয় হৈ ভাৰতবৰ্ষৰ সৰ্ব্বাঙ্গ উন্নতিৰ কামনা কৰিলে। বৰ্ত্তমান বিদেশত থকা ভাৰতীয় সকল যদিও বেলেগ বেলেগ ধৰ্ম্মাৱলম্বী আৰু বেলেগ বেলেগ ভাষা কৃষ্টিৰ লোক তথাপি বিদেশত ভাৰতীয় গোট হিচাবেহে চিনাকি দিয়ে। উদাহৰণ স্বৰূপে এজন ভাৰতীয় মুছলমান বা খৃষ্টিয়ান তুৰ্ক বা আৰবত ভাৰতীয় ৰূপেই গণ্য হয়।

মই অনুমান কৰো আমালোকৰ ভিতৰত প্ৰত্যেকৰেই অন্তৰত ভাৰতৰ প্ৰতিমূৰ্ত্তি বেলেগ বেলগ ৰূপত ৰূপায়িত হৈছে। ইজনৰ ধাৰণাৰ লগত সিজনৰ নিশ্চয় অমিল আছে। ভাৰতৰ কথা চিন্তা কৰিলে মোৰ মনলৈ বহু চিন্তা আহে। এইয়া ভাৰতৰ বিশাল সেউজীয়া পথাৰ মাজে মাজে গছ-গছনিৰে ভৰা সেউজীয়া ঘন জোপোহা। এই জোপোহাৰ মাজে মাজে একো একোখন গাওঁ, টাউন আৰু চহৰ। বাৰিষা বৰ্তৰত বৰষুণে পথাৰ গাওঁ ভুঁই পানীৰে ওপচাই দিয়ে। ধুনীয়া ধুনীয়া সেউজীয়া শস্য বিতোপন হৈ পথাৰ শুৱনি কৰিছে। এইয়া বৰফে আবৰি থকা হিমালয় পৰ্ব্বত। এইয়া ডাঙৰ ডাঙৰ নদ-নদী হিমালয়ৰ বুকু ভেদি ভৈয়ামলৈ নামি গৈছে। এইয়া কাশ্মিৰ উপত্যাকা আৰু এইয়া মনোমোহা পৰ্ব্বত শৃঙ্গ। প্ৰত্যেকেই আমি নিজ পচন্দ অনুসৰি একো একোখন ভাৰতৰ ছবি আঁকি অন্তৰত থাপনা কৰোঁ! মোৰ পৰ্ব্বত মালাৰে গঢ়া ভাৰতৰ ছবিখনেই অতি মনো মোহা ছবি।

# "ভাৰত ভ্ৰমণ"

১৯৩৬ চনৰ শেষত আৰু ১৯৩৭ চনৰ আগভাগত মোৰ ভাৰত ভ্ৰমণৰ গতি বৃদ্ধি পায়। ৰতাহৰ দৰে ৰাতিয়ে দিনে এই বিশাল দেশ খনৰ ইমূৰে সোমাই সিমূৰে ওলাইছিলো। ক'তো ৰোৱা নাই আৰু ক'তো ভাগৰৰ জিৰণিও লোৱা নাই। দেশৰ সকলো পিনৰ পৰা মোলৈ আহ্বান আহিল। দেশত নিৰ্ব্বাচনে ভুমুকি মাৰিছে। মোৰ উপস্থিতিয়ে তেওঁলোকৰ জয়ৰ সূচনা কৰিছে। সময় খুব কম। ৰেল জাহাজ, মটৰ আকাশী যান মোৰ ভ্ৰমণ পথৰ সম্বল। হাতী ঘোৰা উটো সময়ে সময়ে মোৰ বাহন হ'ল। চাই কেলতো উঠিছে। আৰু খোজো কাঢ়িছো। বহু গাও চহৰৰ ভিতৰলৈ যাওঁতে এই বেলেগ বেলেগ পন্থা মই অবলম্বন কৰিব লগীয়া হৈছিল। লাউদ স্পীকাৰ আৰু মাইক্ৰোফোনো দুটা চেট মোৰ লগত আছিল। ভাৰতৰ অসংখ্য জনসমুদ্ৰৰ মাজত মোৰ কথা স্পষ্টকৈ বুজাবলৈ সেই লাউদ স্পীকাৰ ব্যৱহাৰো কৰিছিলো। এই লাউদ স্পীকাৰ আৰু মাইক্ৰোফোন চেট তিব্বত প্ৰান্তৰৰ পৰা বেলুচিস্তানৰ প্ৰান্তৰলৈকে নিছিলো।

খুব পুৱাৰ পৰা বহু ৰাতিলৈকে ইঠাইৰ পৰা সিঠাইলৈ গৈ জন সমাজৰ আগত উপস্থিত হওঁ। অগনন জনতাই অশেষ ধৈৰ্য্য ধৰি মোক আদৰিবলৈ ৰৈ থাকে। জনতাৰ মৰম স্নেহৰ প্ৰতিদান স্বৰূপে মই হয়তো যথা সময়ত সভাত উপস্থিত হ'বই পৰা নাই। মুকলি পথাৰত অগনন জনতাৰ আকুল ধ্বনিত পলমে মোক আৰু পলম কৰি পেলায়। সেই আকুল জনতাৰ ভিৰ্ ঠেলি মই সভামণ্ডপত উপস্থিত হওতে বহু সময় মোৰ লাগিছিল। বিদায় লওতেও মোৰ সেই একেই অৱস্থা। প্ৰত্যেক মিনিট বাগৰি ঘণ্টাত পৰিণত হয়। শেষত মোৰ যে বহু বহু পলম হ'ল মই সহজেই অনুমান কৰো। হাজাৰ হাজাৰ জনতাই জাৰত কঁপি কঁপি মোৰ কাৰণে বহু ৰাতিলৈকে বাট

চাই থাকে। এনে দৰেই দিনটোৰ কাৰ্য্যসূচী ১৮ ঘণ্টালৈকে পলম হয়। দিনটোৰ শেষ সভাত উপস্থিত হওঁতে কেতিয়াবা হয়তো মাজ-নিশা আৰু কেতিয়াবা হয়তো শেষ ৰাতি হৈছিল।

এদিন আমি ফেব্রুৱাৰী মাহৰ মাজ ভাগত দিনটোৰ কাৰ্য্যসূচী গধূৰ হোৱাত শেষ সভা পাওঁতে বহু ৰাতি হল। এখন ধুনীয়া পৰ্ব্বতীয়া বননিৰ মাজে মাজে অশেষ কষ্ট স্বীকাৰ কৰি যাব লগা হল। বাটত যাওঁতে বহু বনৰীয়া হিংস্রক জন্তু লগ পাইছিলো। দিনটোৰ কাৰ্য্য সূচীমতে আমি ৰাতিপুৱা ৮ বজাত আমাৰ কাম আৰম্ভ কৰো। আৰু আবেলি ৪টা বজাত শেষ কৰো। মিতিংৰ শেষত ৭০ মাইল দূৰ অতিক্ৰম কৰি আমি আমাৰ জিৰণি স্থানলৈ ঘূৰি আহো। আৰু এদিন কাৰ্য্য সূচীত মই সাতোটাত পুৱা যাত্ৰা কৰি দিনে ৰাতিয়ে বহু সভা সমিতিত উপস্থিত হৈ ৪১৫ মাইল ২৩ ঘণ্টাত অতিক্ৰম কৰিব লগীয়া হৈছিল।

সেই কেই মাহে মই অনুমান কৰিছো প্ৰায় ১০ লক্ষ জন সমাগমৰ আগত মই ভাষণ দিব লগীয়া হৈছিল। সাধাৰণতে বৃহৎ সভা সমিতিত ১ লক্ষৰ কৈয়ো অধিক জনতা লগ লাগিছিল।

মই সৰু সৰু টাউনৰ মাজেদি পাৰ হওঁতে দেখা পাওঁ প্ৰায় সকলো দোকান বন্ধ। কাৰণ সোধাত গম পাইছিলো মোক দেখা পাবলৈকে হাজাৰ হাজাৰ লৰাছোৱালী ডেকাগাভৰু মতা তিৰোতা সভাস্থলত গোট খাই আছে। মই কেনেকৈনো ইমান বিলাক সভা সমিতি সুস্থ শৰীৰে অতিক্ৰম কৰিলো নিজেই বুজি নাপাওঁ। লাহে লাহে এই অভ্যাসত মই খাপ খাই পৰিলো। মটৰত যাওঁতে দুখন মিতিঙৰ ব্যৱধান সময় ছোৱাত মই গভীৰ টোপনিত লালকাল হৈ পৰিছিলো। দ্বিতীয় মিতিংত যোগ দিয়াত মোৰ পক্ষে বৰ কষ্ট হৈ পৰিছিল। তথাপিও মই জনতাৰ হেন্দোলদোপত চকুখাই উঠিলো। আনন্দত উত্ৰাৱল হোৱা জনতাৰ মুখৰিত জয়ধ্বনিত মোৰ ভাগকৰা অন্তৰে অফুৰন্ত বলত বলীয়ান হয়।

মোৰ আহাৰ সম্পূৰ্ণৰ পৰা আধা কৰিলো। আৰু প্ৰায় নাখাইছিলোয়েই। ৰাতি আহাৰ মই এৰি দিলো। এৰাত ভালেই লাগিছিল। তেন্তে কিহে মোক জীয়াই ৰাখিছিল; শক্তি আৰু উৎসাহ দিছিল? "জনতাৰ আকুল ধ্বনিয়ে, আদৰণিয়ে আৰু জনতাৰ ভালপোৱাই।" য'তে যাওঁ জনতাৰ আদৰণিত মই অপ্যায়িত হওঁ। জনতাৰ মৰমে, জনতাৰ আকুল চাহনিয়ে মোৰ অন্তৰ উৎসাহ উদ্দীপনাৰে ভৰপুৰ কৰিলে।

## "সাধাৰণ নিৰ্ব্বাচন"

মোৰ ভাৰত ভ্ৰমণৰ উদ্দেশ্য আছিল সাধাৰণ নিৰ্ব্বাচন। সাধাৰণতে ভোটৰ কাৰণে মই অনুগ্ৰহ প্ৰাৰ্থী নহওঁ। নিৰ্ব্বাচনে জনসাধাৰণৰ গণতন্ত্ৰ ভেটি ৰচনা কৰিছে। এয়েই গণতন্ত্ৰৰ অন্ত নিহিত তথ্য। তথাপিও ভুলক্ৰমে নিৰ্ব্বাচনে উপযুক্ত মানুহ বাদ দিয়ে। আৰু সমাজক ভুল পথত পৰিচালিত কৰে। যি সকল অভিমানী তেওঁলোকে অলপতে বেয়া পাই। তেওঁলোক প্ৰতিদ্বন্দ্বিতাৰ মাজত সোমাব নিবিচাৰে। ইয়েই উপযুক্ত মানুহক নিৰ্ব্বাচন কৰাত সাধাৰণতে অন্তৰায়।

যিসকলে বেচিকৈ চিঞৰিব পাৰে, যি সকলে গাৰ বলেৰে য'তে ত'তে সোমাব পাৰে সিয়েই নেকি "গণতন্ত্ৰ"? মোৰ বোধেৰে নিৰ্ব্বাচনত সকলোৰেই ভোটাৰৰ অধিকাৰ পোৱা উচিত। যাৰ সম্পত্তি আছে আৰু যাৰ বিদ্যা আছে। সম্পত্তি থকা লোকতকৈ বিদ্বান সকল গণনীয়। উপযুক্ত বয়সৰ সকলো মতা-মাইকীয়েই কি শিক্ষিত কি অশিক্ষিত ভোটাৰৰ সুবিধা পোৱা উচিত! ভাৰতত এই বিষয়টো উত্থাপিত হোৱাৰ গুৰিতেই আছে কিছুমান সুবিধাবাদীৰ অভিনয়।

১৯৩৭ চনত হোৱা প্ৰাদেশিক সাধাৰণ নিৰ্ব্বাচনে শতকৰা ১২ জনকহে ভোটাৰৰ অধিকাৰ দিছিল। তথাপিও এই নিৰ্ব্বাচনত ভাৰতৰ দেশীয় ৰাজ্যৰ বাহিৰে ৩০ কোটী ভাৰতীয়ই ভোট দিবলৈ সুবিধা পায়।

প্ৰত্যেক প্ৰদেশে নিজ নিজ প্ৰাদেশিক সভা গঠন কৰে। প্ৰায় বিলাক প্ৰদেশৰেই দুখন সভা।

এইবিলাক নিৰ্ব্বাচনত কংগ্ৰেছকৰ্ম্মী সকলৰ ওচৰত মোৰ কথা আছিল বেলেগ ধৰণৰ। মই কোনো নিৰ্দ্দিষ্ট প্ৰাৰ্থীৰ কাৰণে নহয়। মোৰ উদ্দেশ্য যি কংগ্ৰেছে স্বাধীনতা সংগ্ৰামত গোটেই ভাৰত ব্যাপি জপিয়াই পৰিল সেই অনুস্থানলৈ। মই অনুভব কৰিছিলো যদি কংগ্ৰেছ নিৰ্ব্বাচনত জিকে তেন্তে ভাৰতৰ কল্যাণ হব। মোৰ নিবেদন আদৰ্শবাদী কোনো নিৰ্দ্দিষ্ট প্ৰাৰ্থীৰ কাৰণে নহয়। মই প্ৰাৰ্থীক জানো বা নাজানো তাত কোনো কথা নাই। প্ৰাৰ্থী সকলৰ নাম জনাতো মই কোনো উচিত বিবেচনা নকৰো। মই বিচাৰো কংগ্ৰেছক ভোট দিয়ক। ভাৰতৰ স্বাধীনতাৰ কাৰণে আৰু স্বাধীনতা নোপোৱালৈকে সংগ্ৰাম কৰাৰ বাহিৰে মই একো প্ৰতিজ্ঞা কৰা নাছিলো। মই ৰাইজক কৈছিলো আমাক ভোট দিবলৈ যদি তেওঁলোকৰ আমাৰ মত বা পন্থা মনঃপুত হয়। আমাক ফাঁকি দিয়া মিছা ভোট নালাগে। দেহেকেহে আমাৰ পন্থা মানি লব লাগিব। ভোট আৰু নিৰ্ব্বাচনে আমাক আগুৱাই নিব নোৱাৰে। এইটো এটা কেৱল দীঘলীয়া জীৱন যাত্ৰাৰ সম্বলহে। সত্যবাদী আৰু আদৰ্শবাদী সমাজৰ আমাক দৰকাৰ—একোটা গঠনমূলক সমাজেহে জাতিৰ স্বাধীনতাত বৰঙণি যোগাব পাৰে। মই বুজাইছিলো হাজাৰ হাজাৰ জনতাৰ স্বাধীনতাই আমাৰ দেশৰ স্বাধীনতা। শ্বেতাঙ্গী সকলৰ হাত সাৰি পিতাঙ্গী সকলৰ তলত থকাতো বিচৰা নাই। বিচাৰিছো প্ৰকৃত দেশৰ প্ৰজাৰ শাসন, দেশৰ মানুহ দেশৰ মানুহৰ কাৰণে, আমাৰ দুখ দৈন্যতা অৱসানৰ কাৰণে।

এইটোৱেই মোৰ বক্তব্যৰ মূল নীতি আছিল। কোনো নিজ স্বাৰ্থত জৰিত নোহোৱাকৈ নিৰ্লিপ্তভাবে মই নিৰ্ব্বাচনীৰ যুদ্ধত নামিছিলো। কোনো নিৰ্দ্দিষ্ট ব্যক্তিৰ কাৰণে লালায়িত হোৱা নাছিলো।

মই এই নিৰ্ব্বাচনীত সকলোতকৈ ডাঙৰ সুযোগ পাইছিলো কোটি

কোটি ভাৰতবাসীৰ লগত মিলিত হবলৈ। লাখ লাখ জনতাৰ সংমিশ্ৰণে মোৰ প্ৰাণত অফুৰন্ত শক্তি যোগাইয়াছিল। মোৰ দুচকুৱে লাখ লাখ জনতাৰ পবিত্ৰ চাৱণিৰ সন্মুখীন হৈছিল আৰু আপোন হৈ অচিনাকী বুলি নহয়। মই যেতিয়া জনতাক প্ৰণাম জনাইছিলো মোৰ দুখন হাতৰ তলুৱা একত্ৰিত হৈ মোৰ সন্মুখত উদয় হৈছিল জনতা আৰু জনতাৰ হৰ্ষ আৰু আনন্দৰ ধ্বনি মোৰ হিয়াত বাগৰি পৰিছিল। মই তেওঁলোকৰ আগত কথা কৈছিলো। ভাবিছিলো তেওঁলোকক জানো মোৰ কথাই স্পৰ্শ কৰিব পাৰিছে? মোৰ সকলো কথা তেওঁলোকে বুজি পাইছেনে—নাই নাজানো কিন্তু তেওঁলোকৰ গভীৰ চাৱনিয়ে বাক্যভৈকেয়ো মোক স্পষ্টভাৱে বুজাইছে। এনেভাৱেই মই ভাৰতৰ জীৱন্ত বস্ত-মঞ্চ দেখা পাইছিলো। অতীত যেৰাই যোৱা সম্বন্ধৰ সূতা দালো বাচি উলিয়াব পাৰিছিলো। য'তে ত'তে তেওঁলোকৰ মই সুনিপুণ পাচ ফালটোহে দেখা পাইছিলো। এই সুনিপণ পাচফাল টোত আছিল কিছুমান জনপ্ৰিয় দৰ্শন, স্বনুশীলন, বুৰঞ্জী, পৌৰাণিক বা কাল্পনিক ইতিহাস। নিৰক্ষৰ লোকৰ অন্তৰো এই পাঁচফালটোৱে দৃঢ়ভাৱে অধিকাৰ কৰি আছে।

পৌৰাণিক হিন্দুধৰ্ম্মৰ ৰামায়ণ আৰু মহাভাৰতৰ সৰ্ব্বসাধাৰণৰ মনত গভীৰভাৱ সাঁচ বহুৱাইছে। নিৰক্ষৰ লোকৰো মুখে মুখে ৰামায়ণ মহাভাৰতৰ ছন্দ। সকলো কথা বতৰাতেই ইয়াৰ উপমা। বৰ্ত্তমানৰ লগত যেতিয়া উপমা দি নিৰক্ষৰ গাৱলীয়া লোকে ৰামায়ণ মহাভাৰতৰ কথা কয় আৰু কোনো সমস্যা সমাধানত উপনীত হয় তেতিয়া মই সাঁচাকৈয়েই আচৰিত হও। যদিও মোৰ অন্তৰত লিখিত বুৰঞ্জীৰ সকলো ঘটনাই বিৰাজমান তথাপি এই নিৰক্ষৰ চহা গাৱলীয়া লোকৰ অন্তৰত সুবহুৰূপে দেখা দিয়া এই কাল্পনিক বীৰ বীৰঙ্গনাৰ ঘটনা সমূহত মই আত্মহাৰা হওঁ।

মই তেওঁলোকৰ চকুলৈ চাওঁ, চেহেৰালৈ চাওঁ আৰু তেওঁলোকৰ লক্ষ্যলৈ মন কৰোঁ। তেওঁলোকৰ মাজত দেখা পাওঁ চিন্তাশীল ব্যক্তি

হৃষ্ট পুষ্ট বলবান ব্যক্তি, পৰিস্কাৰ ধুনীয়া গঠন। মাইকী মনুহৰ মাজত দেখা পাও ধুনীয়া মৰম লগা মুখ আৰু বেজাৰৰ ছাঁ।

সৰ্ব্বসাধাৰণতে ধুনীয়া উজ্জ্বল ব্যক্তি সকল আছিল উচ্চবৰ্ণ হিন্দু সকলৰ ভিতৰত যি সকলৰ আৰ্থিক অৱস্থা ভাল। কেতিয়াবা মই গাৱঁৰ মাজেদি যাওঁতে ধুনীয়া পুৰুষ মহিলাৰ মুখৰ চেহেৰা চাই আচৰিত হৈ যাওঁ। ভাৰতৰ ইমান দুখ দৈন্যতাৰ মাজতো যে ইমান ধুনীয়া ধুনীয়া শ্ৰী চেহেৰাৰে মানুহ শোভা কৰি আছে ভাবি মই আচৰিত হওঁ।

ভাৰতৰ ইমুৰে সিমুৰে দুখ দৈন্যতাৰে ভৰপুৰ। নিষ্ঠুৰ দৈন্যতাই সকলোৰে মূৰত উঠি তাণ্ডৱ নৃত্য খেলিছে। ভাৰতীয় জীৱন অৱসাদ আৰু অনিশ্চয়তাৰ ক'লা ডাৱৰে আবৰি ধৰিছে। সকলো দিগ্‌ভ্ৰান্ত আৰু শঙ্কাকুল। অথাপিও আবহমান কালৰে পৰা চলি অহা ভাৰতীয় কৃষ্টি অনুশীলনে অন্তৰত থকা দৃঢ় সঙ্কল্প মচি নিব পৰা নাই।

এনেভাবেই মই অতীত আৰু বৰ্ত্তমানক লৈ ভাৰতক আবিস্কাৰ কৰিবলৈ সুযোগ পালো। এই ভাবৰ চিন্তা ধাৰাতেই অনুপ্ৰাণিত হৈ জাতীয় জীৱনৰ জখলাত খাপে খাপে উঠি উচ্চ পৰ্ব্বতৰ টিঙত থিয় হৈ সমতল ভুমিলৈ চাই দুয়োটাকে বিজাই চালো।

কি কাৰণে আমাৰ এইয়া জীৱনৰ দীঘলীয়া যাত্ৰা ? কোন সীমাত উপনীত হবলৈ আমাৰ এইয়া শোভাযাত্ৰা ? এটা অৰ্থ বিহীন হা-হুতাশৰ হুমুনিয়াই আহি মোক দিগ্‌ভ্ৰান্ত কৰি তুলিলে। অৱসাদ অনিশ্চয়তাই মোক আগুৰি ধৰিলে।

এই সকলো অৱসাদ আৰু অনিশ্চয়তা মই সাহসেৰে সম্মুখীন হৈ মোৰ সংকল্প পথত আগবাঢ়িলো। আৰু সকলো বাধা বিঘিনি অতিক্ৰম কৰি মোৰ গন্তব্য স্থানত উপনীত হলো।

আংশিকভাবে জয়লাভ কৰিছো যদিও মনে মোৰ সান্ত্বনা পোৱা নাই। মন মোৰ দূৰ মলয়াত শোকাকুল হৈ কান্দি ফুৰিছে।

০

# "ভাৰত আৱিষ্কাৰ"

## সিন্ধু উপত্যকাৰ সভ্যতা

সিন্ধু উপত্যাকাৰ সভ্যতা সিন্ধুৰ "মহেঞ্জদাৰো" আৰু পঞ্জাৱৰ "হৰপ্পাত" আবিস্কাৰ হল। ইয়েই অতীত ভাৰতৰ ছবি। খান্দি খান্দি উলিওৱা ভগ্ন অংশ বিশেষে ভাৰতৰ অতীত বুৰঞ্জীৰ পাতনি মেলিছে! বৰ দুখৰ বিষয় যে এই খনন কাৰ্য্য এতিয়া বন্ধ হৈ গল যোৱা ৩০ বছৰে ইয়াৰ কোনো উপযুক্ত মুল্যাঙ্কন কৰিব পৰা নাই। দ্বিতীয় মহাযুদ্ধই এই খনন কাৰ্য্যত সম্পূৰ্ণৰূপে বাধা দিলে আৰু যি খান্দি উলিওৱা হল তাকো অলাগতীয়াল অৱস্থাত অৱহেলা কৰি ৰখা হল।

১৯৩১ আৰু ১৯৩৬ চনত মই দুৱাৰকৈ মহেঞ্জদাৰো পৰিদৰ্শন কৰিছো। দ্বিতীয়বাৰৰ পৰিদৰ্শনত দেখা পালে খান্দি উলিয়াই থোৱা পুৰণা অট্টালিকাৰ অংশ বিশেষ শুকান বালি বতাহে, বৰষুণে বহু অনিষ্ট সাধন কৰিছে। ৫০০০ বছৰৰো অধিক দিনৰ এই পুৰণা অংশ বিশেষ এনেভাবে ৰদে, বৰষুণে মুক্ত অৱস্থাত থাকি বহু নষ্ট হৈ গল। যত্ন লোৱাৰ কোনো চিন্ নাই। "আৰ্কিওলজীকেল" বিভাগৰ কৰ্ম্মচাৰিজনে মোক জানিব দিলে যে এইবিলাক মূল্যৱান পৌৰাণিক ভগ্নাংশ ৰক্ষা কৰিবলৈ তেওঁৰ হাতত কোনো টকাৰ পুঁজি নাই। মই অনুমান কৰিছো যে লাহে লাহে কেই বছৰ মানৰ পাচত এই মূল্যৱান অংশ বিশেষ নিচিহ্ন হৈ যাব।

এইটো বৰ তাপৰ বিষয় যাৰ কাৰণে কোনো ক্ষমা নাই। কোনো কালেও আবিস্কাৰ কৰিব নোৱাৰা কিছুমান মূল্যৱান মূৰ্ত্তি নোহোৱা হল।

মহেঞ্জদাৰো আৰু হৰপ্পা। দুয়ো ঠাইতেই পৌৰাণিক বুৰঞ্জী লুকাই আছে। আৰু কত ইতিবৃত্তি লুকাই আছে কোনে জানে?

এই দুয়ো ঠাইৰ সভ্যতাই ভাৰতৰ বিশেষকৈ উত্তৰ ভাৰতৰ বহু ঠাই আগুৰি আছিল। এই সভ্যতাৰ ভগ্ন অংশ বিশেষ কাঠিয়াৰ আৰু পঞ্জাৱৰ অম্বলা জিলাত পোৱা গৈছে। গঙ্গা উপত্যাকাত যে এই সভ্যতা বিয়পি আছিল ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি। সিন্ধু উপত্যাকাৰ সভ্যতাতকৈ আৰু বেছি সভ্যতা বিয়পাৰ এয়েই প্ৰমাণ।

মহেঞ্জদাৰোত পোৱা লিখন সমূহৰ অৰ্থ সম্পূৰ্ণৰূপে এতিয়াও উলিয়াব পৰা নাই।

সিন্ধু উপত্যকাৰ সভ্যতা উন্নত ধৰণৰ হবলৈ প্ৰায় হাজাৰ হাজাৰ বছৰ লাগিছিল।

ইংৰাজ লিখক শ্যাৰ জ'নমাৰচেলে কৈ গৈছে যে মহেঞ্জদাৰো আৰু হৰপ্পাৰ সভ্যতা প্ৰথম সভ্যতা নহয়। বহু আগৰে পৰা ভাৰতত চলি অহা সভ্যতাৰ অঙ্গহে।

ভাৰতৰ সভ্যতা পাৰস্য, মচেপটেমীয়া ইজিপ্ত আদি সভ্যতাৰ লগত এক। তেওঁ লিখিছে পঞ্জাৱ আৰু সিন্ধু উপত্যাকাই ভাৰতৰ আন ঠাইতকৈ উন্নত ধৰণৰ সভ্যতা ভোগ কৰিছিল। কোনো কোনো ক্ষেত্ৰত ইজিপ্ত আৰু মচেপট্ৰেমীয়াৰ সভ্যতাকো চেৰ পেলাইছে। সিন্ধু উপত্যাকাৰ সভ্যতা চুমৰিয়ান সভ্যতাৰ লগত বৰ মিল।—আক্কাদত আনকি ভাৰতীয় উপনিবেশ বহিছিল। সিন্ধু উপত্যাকাৰ শিল্প সমূহ আনকি টাইগ্ৰীছ আৰু ইউফ্ৰেটীচৰ বজাৰ পাইছিললৈ।

চুমাৰিয়ানবিলাকে শিল্পজাত, মচেপট্ৰেমিয়ান বিলাকে তেল পাউদাৰ সিলিন্দাৰ সকলে চাপ মোহৰ এই সিন্ধু উপত্যাকাৰ পৰাই অনুকৰণ কৰে। বাণিজ্যৰ কেঁচামাল আৰু সুগন্ধি বস্তুও অগণন আছিল।

আৰব সাগৰৰ দাঁতিৰ পৰা মাছ ভাৰতলৈ সদায়ে আহিছিল। মহেঞ্জদাৰোৰ খাদ্য পৰিস্থিতি উন্নত হৈ পৰিছিল।

ভাৰতৰ কপাহ অতীত যুগতো কাপোৰত ব্যৱহাৰ হৈছিল। ভাৰতৰ বাহিৰে পশ্চিমীয়া দেশ সমূহে প্ৰায় তিনি হাজাৰ বছৰলৈকে কাপোৰৰ ব্যৱহাৰ নাজানিছিল। তাৰোপৰি মহেঞ্জদাৰোৰ দৰে

ধুনীয়া ঘৰ সেই সময়ত ইজিপ্ত আৰু মচেপট্রেমীয়াতো নাছিল। সু সজ্জিত মন্দিৰ, ৰজাৰ কাৰেং আদিয়ে বুদ্ধিৰ পৰিচয় আৰু অজস্র টকাৰ খৰচৰ সন্ধান দিছিল।

মহেঞ্জদাৰোত আবিস্কাৰ কৰা পানী যোৱা নলা, ঘৰ, আট্টালিকাৰ ভগ্ন অংশ বিলাকৰ দৰে আন কোনো ঠাইত এনে উন্নত আবিস্কাৰ আজিলৈকে হোৱা নাই। তেতিয়াও ইটাৰে সজা দুতলীয়া ঘৰ আছিল। গা-ধোৱা ঘৰ মানুহ থকা ঘৰ তেতিয়াও সাজিছিল। সেই কাৰণেই আমি অনুমান কৰিছো যে সিন্ধু উপত্যাকাৰ সভ্যতাই মচেপট্রেমীয়া, পাৰস্য আৰু ইজিপ্তৰ সভ্যতাকো চেৰ পেলাইছিল। এই সভ্যতা আছিল নগৰত। ব্যৱসায়ী সকলে প্রধান স্থান অধিকাৰ কৰিছিল আৰু এওঁলোক চহকী আছিল। ৰাস্তা, পদূলি সৰু সৰু দোকান ঘৰ আদি বৰ্ত্তমানৰ ভাৰতৰ বজাৰ বিলাকৰ দৰে।

প্রফেচাৰ শীল্ডৰ মতে হিন্দু উপত্যাকাৰ নগৰ, কলা, কৌশল আৰু বস্তুৰ মূল্যাঙ্কণে সেই দিনৰ সু-শৃঙ্খল সমাজৰ ছবি দাঙ্গি ধৰিছে। মেগাজিন আৰু আন আন মূল্যবানস্তুৱে মানুহ বিলাক যে চহকী আৰু ব্যৱসায়ী আছিল তাকে বুজায়।

সোণ, ৰূপ, লো, অলঙ্কাৰ বাচন বৰ্ত্তণ আৰু অস্ত্র শস্ত্রই সেই দিনৰ উন্নত সভ্যতাকহে দাঙ্গি ধৰিছে। ৰাস্তা পদূলিৰ পৰিস্কাৰ পৰি-পাতিতাই সেই দিনত যে মিউনিচিপেলিটিৰ শাসন আছিল তাকে দাঙ্গি ধৰে। সু-শৃঙ্খল ভাবে কৰা ৰাস্তা পদূলি পুখুৰী আদিয়ে উন্নত শাসন পদ্ধতিৰ সুচনা কৰিছে।

সেই সিন্ধু উপত্যাকাৰ সভ্যতা আৰু আজিৰ দিনৰ সভ্যতাত কিমানখিনি ব্যৱধান আছে আমি নাজানো। যুগ বা বছৰৰ অবসানে প্রকৃত ৰূপ দাঙ্গি নধৰে। প্রাকৃতিক অদল বদল ইতিমধ্যে বহু হৈ গল তথাপিও সেই সিন্ধু উপত্যাকাৰ সভ্যতা নিচিগাকৈ ৰৈ আছে। এতিয়াও বহু তথ্য আবিস্কৃত নোহোৱাকৈ মহেঞ্জদাৰো আৰু হৰপ্পাত সোমাই আছে।

## "আৰ্য সকলৰ আৱিৰ্ভাৱ"

সিন্ধু উপত্যাকাত বসতি কৰা লোক সকল কোন আছিল আৰু কৰ পৰা আহিছিল আমি নাজানো। এইটো থিক যে তেওঁলোকৰ নিজৰ কৃষ্টি আৰু অনুশীলন আছিল। এওঁলোকৰ পুলি পোখা এতিয়াও দক্ষিণ ভাৰতত আছে। কিছুমান শিক্ষবিদে দক্ষিণাত্যৰ দ্ৰাভিদিয়ান সকল এওঁলোকৰ লগত তেনেই মিল বুলি কয়। যদি অতিজতে আন কোনো দেশৰ পৰা আহি ভাৰত সোমাইছিল সেই সময় মহেঞ্জদাৰো সভ্যতাৰো বহু আগৰ হব। সকলো ফালৰ পৰা চালে আমি সেই সকললোকক ভাৰতৰ আদিমবাসী বুলি ধৰিম।

এই সিন্ধু উপত্যাকাৰ সভ্যতা কি হল কেনেকৈ ইয়াৰ শেষ হল। গৰডন্ আৰু শীল্ডে কয় যে এই সভ্যতা আকস্মিক কিছুমান অবৰ্ণনীয় প্ৰাকৃতিক দুৰ্য্যোগত সমাধিস্ত হল। সিন্ধু নদীৰ প্ৰবল বাণে ইয়াৰ পাৰৰ চহৰ নগৰ সকলো ডুবাই দিলে। অথবা যুগৰ অৱসানে জল বায়ুৰ পৰিবৰ্ত্তণ আনি সেই ঠাই নীৰস কৰি পেলালে বা সাকৰা কৰিলে।

মহেঞ্জদাৰোৰ মাটিৰ তৰপ বিলাকত বালি মিহলি আছে। খান্দি উলিওৱা কিছুমান ভগ্ন অংশ বিশেষে অতীতত থকা দুই কি তিন তলীয়া ঘৰৰ জকা বুজায়। বৰ্ত্তমানৰ কাৰুকাৰ্য্যৰ লগত এই ভগ্ন অংশ বিশেষৰ মিল আছে।

অতীত কালত সিন্ধু প্ৰদেশ বৰ চহকী আছিল। মাজভাগত ই মৰুভূমিত পৰিণত হল।

এইটোও সম্ভৱপৰ যে জল বায়ুৰ শাল সলনিয়ে স্থায়ীভাৱে মানুহৰ জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি সিন্ধু উপত্যাকা আৰু গঙ্গা উপত্যাকাক সামৰি লয়। সঠিক ভাৱে এই কথা জানিবলৈ আমাৰ কোনো আহিলা পাতি নাই। বালিয়ে বহু নগৰ চহৰ পুতি পেলালে আৰু বহু নগৰ চহৰ আৰু বহু সভ্যতা ইয়াৰ বুকুতেই বিলীন